জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৫৩/২০২২

## বিগত বৰ্ষত অগ্নিবিধ্বস্ত তেজপুৰৰ চ'ক বজাৰ পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

# শীঘ্ৰে ব্যৱসায়ীসকলৰে আলোচনা কৰি চ'ক বজাৰ পুনৰ নিৰ্মাণৰ সমাধান সূত্ৰ উলিওৱা হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৬ মে'** ঃ বিগত বৰ্ষৰ মে' মাহত এক অগ্নিকাণ্ডত ভস্মীভূত হোৱা শোণিতপুৰ জিলাৰ তেজপুৰ চহৰৰ চ'ক বজাৰ এলেকা আজি পৰিদৰ্শন আৰু পৰ্যবেক্ষণ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই পৰিদৰ্শনকালত তেওঁ এলেকাটোৰ অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত ব্যৱসায়ীসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে নতুনকৈ গঢ়ি উঠা আন্তঃগাঁথনি পৰ্যবেক্ষণ কৰে। স্মৰ্তব্য যে এই অগ্নিকাণ্ডৰ পিছতে ৰাজ্য চৰকাৰে ক্ষতিগ্ৰস্ত ব্যৱসায়ীসকলক পুনৰ ব্যৱসায় গঢ়ি তুলিবৰ বাবে বিভিন্ন সহায়-সহযোগিতা আগবঢ়াইছিল। আজিৰ এই পৰিদৰ্শন কালত সাংবাদিকৰ সৈতে হোৱা কথোপকথনৰ সময়ত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে অতি কম দিনৰ ভিতৰতে ইয়াৰ ব্যৱসায়ীসকলৰ সৈতে আলোচনা কৰি ক্ষতিগ্ৰস্ত এলেকাটোত পুনৰ নিৰ্মাণৰ বাবে এক সমাধান সূত্ৰ উলিওৱাৰ ব্যৱস্থা কৰা হ'ব। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংহলক যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে কোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীৰ সৈতে উপস্থিত থাকে নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংহল, সাংসদ পল্লৱ লোচন দাস, বিধায়কদ্বয় ক্ৰমে পৃথ্বীৰাজ ৰাভা আৰু কৃষ্ণ কমল তাঁতী, উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা প্ৰমুখ্যে অঞ্চলটোৰ বিশিষ্ট নাগৰিক আৰু ব্যৱসায়ীসকল।

হেঃশঃ

২৬/০৫/২০২২

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in